# ড'পিং

ড'পিং। ক্ৰীড়াৰ সৈতে জড়িত ব্যক্তিসকলৰ বাবে এই শব্দটো অভিশাপ স্বৰূপ। যাৰ ওপৰতে এবাৰলৈও আৰোপিত হৈছে ড'পিঙৰ অভিযোগ, নিমিষতে ধূলিস্যাৎ হৈ গৈছে তেওঁৰ ক্ৰীড়া জীৱনৰ যশস্যা। যি উৎকৃষ্ট ক্ৰীড়া শৈলীৰ প্ৰদৰ্শনৰ বাবে তেওঁ সাধাৰণ মানুহৰ ওচৰত সন্মানীয়, পূজ্য হৈ পৰিছিল, ড'পিঙৰ অভিযোগে তেওঁক সেই আসনৰ পৰা নমাই এগৰাকী ঘৃণ্য ব্যক্তিলৈ পৰ্যবসিত কৰে। তিলতিলকৈ গঢ়ি তোলা ব্যক্তি এগৰাকীৰ ক্ৰীড়াৰ কেৰিয়াৰ মাত্ৰ এটি শব্দৰ আঘাততে মুহূৰ্ততে নিশ্চিহ্ন হৈ পৰে। ইমানেই ক্ষয়ংকৰী প্ৰভাৱ এই শব্দটিৰ।

আজিৰ ক্ৰীড়া জগতত 'ড'পিং' এটি বহুলভাৱে পৰিচিত শব্দ। ড'পিং শব্দটিৰ যদি গুৰি বিচাৰি উলিয়াবলৈ যাওঁ তেন্তে আমি দেখিম যে ই মূলতঃ দক্ষিণ আফ্ৰিকীয় ভাষাৰ 'ড'প (Dope)' নামৰ শব্দটিৰ পৰা সৃষ্টি হৈছে। ড'প হৈছে সেই মূলৰ লোকসকলে ব্যৱহাৰ কৰা এবিধ অতি প্ৰাচীন নিচাযুক্ত পানীয়। বিভিন্ন উৎসৱ-পাৰ্বনৰ সময়ত পৰিৱেশন কৰা নৃত্যানুষ্ঠানবোৰ অধিক উপভোগ্য কৰি তুলিবলৈ তেওঁলোকে এই পানীয়বিধ সেৱন কৰিছিল। পানীয়বিধৰ সেৱনে তেওঁলোকক অবিৰাম নৃত্য কৰি যাবলৈ শক্তি যোগাইছিল। কোনো ক্ৰীড়াবিদে নিজৰ ক্ৰীড়া দক্ষতা বৃদ্ধিৰ বাবে নিষিদ্ধ নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰা কাৰ্যটোৱেই হ'ল ড'পিং।

১৮৭৯ চনত এই শব্দটিয়ে ইংৰাজী অভিধানত নিজৰ বাবে ঠাই উলিয়াই লয়। কিন্তু ইতিহাস খুচুৰিলে দেখা যায় যে ক্ৰীড়াবিদে নিজৰ ক্ৰীড়াশৈলী উন্নত কৰাৰ বাবে নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰাৰ উদাহৰণ বহু প্ৰাচীন। সেয়া খ্ৰীঃ পূঃ ৮০০ শতাব্দীৰ কথা। সেই সময়ত গ্ৰীক সমাজ জীৱনত সাংস্কৃতিক বা ধৰ্মীয় কাম-কাজবোৰৰ দৰে ক্ৰীড়াৰো গুৰুত্ব আছিল অপৰিসীম। তেওঁলোকৰ কেলেণ্ডাৰটো ক্ৰীড়া মহোৎসৱৰ বাবে নিৰ্দিষ্ট দিন ধাৰ্য কৰা আছিল। বৰ্তমান সময়ত ক্ৰীড়া ব্যক্তিত্ব এগৰাকীৰ যি সমাদৰ সেই সময়তো ইয়াৰ পৰিমাণ কোনো গুণে কম নাছিল। প্লেট'ৰ সমসাময়িক লিখনীবোৰৰ পৰা জনা যায় যে অলিম্পিকৰ এটা বিজয়ীৰ পদক লাভ কৰাৰ বাবে খেলুৱৈগৰাকীয়ে যি পৰিমাণৰ ধন লাভ কৰিছিল সি আজিৰ সময়ৰ আধা মিলিয়ন ডলাৰৰ সমান প্ৰায় আছিল। এনে এক প্ৰেক্ষাপটত অলিম্পিকৰ পদক লাভ কৰাটো যি কোনো খেলুৱৈৰ বাবে জীৱনৰ চৰমতম লক্ষ্য হৈ পৰিছিল। ক্ৰীড়া জগতত সৃষ্টি হোৱা এই প্ৰফেচনেলজিম আৰু কমাৰ্চিয়েলিজিমে খেলুৱৈক দুৰ্নীতি কৰিবলৈ প্ৰৰোচিত কৰিলে। যাৰ ফলত প্ৰৱঞ্চনাৰ আশ্ৰয় লোৱাটো একেবাৰে সাধাৰণ কথা হৈ পৰিছিল। তাতোকৈ ভয়ংকৰ কথাটো আছিল খেলুৱৈসকলে এই সময়ছোৱাতে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে নিচাযুক্ত দ্ৰব্যৰ। কাঠফুলা বা তেনে জাতীয় কিছুমান নিচাযুক্ত উদ্ভিদৰ পাত, ৰস আদি সেৱন কৰি খেলুৱৈসকলে তেওঁলোকৰ ক্ৰীড়া দক্ষতাক চূড়ান্ততম ৰূপটো দিবলৈ প্ৰচেষ্টা চলাইছিল। ক্ৰীড়া জগতত ড'পিঙৰ এয়াই হয়তো আছিল আটাইতকৈ প্ৰাচীনতম উদাহৰণ। ড্ৰাগছৰ এই অবাধ প্ৰচলনে অলিম্পিকৰ দৰে মহান ক্ৰীড়া অনুষ্ঠান এটিৰ স্থান যথেষ্ট পৰিমাণে অৱনতি ঘটালে। ৰাজনৈতিক হস্তক্ষেপৰ উপৰি অলিম্পিক ক্ৰীড়া ধ্বংসৰ বাবে ড'পিঙকো এটা অন্যতম কাৰক হিচাপে গণ্য কৰা হয়। প্ৰাচীন অলিম্পিকতে সৃষ্টি সেই ড'পিঙৰ ধাৰা আজিও যেন অব্যাহত হৈ আছে। আজিৰ ক্ৰীড়া জগতত সৃষ্টি হোৱা অত্যধিক প্ৰফেচনেলেজিম আৰু কমাৰ্চিয়েলিজমৰ বাবে খেলুৱৈসকলে সকলো জানিশুনিও নিত্য নতুন ধৰণৰ মাদক দ্ৰব্যৰ ব্যৱহাৰ কৰিছে। এনেদৰে ব্যৱহাৰ কৰা ছিষ্টেটিক ড্ৰাগছবোৰৰ বিষয়ে পৰীক্ষকসকলৰ অজ্ঞতাৰ বাবে হয়তো কেতিয়াবা কোনো খেলুৱৈ ড'পিং টেষ্টৰ মাজেৰে সৰকি যাবলৈ সমৰ্থ হৈছে। কিন্তু যিয়ে এবাৰ এই ড'পিং টেষ্টত অকৃতকাৰ্য হৈছে তেওঁৰ ক্ৰীড়া জীৱনৰ বৰ্ণময় কেৰিয়াৰ নিমিষতে মাটিত মহলি হৈ গৈছে। বহু সময়ত খেলুৱৈসকলে অজ্ঞতাৰ বাবেও ড'পিঙৰ চিকাৰ হ'ব লগাত পৰিছে। চিকিৎসা সম্পৰ্কীয় কাৰ্যত ব্যৱহাৰ হোৱা কিছুমান ঔষধতো নিষিদ্ধ ড্ৰাগছৰ উপস্থিতি দেখা যায়। খেলুৱৈসকলে সেই সম্পৰ্কে অজ্ঞাত হোৱা বাবে তেনে ঔষধ সেৱন কৰি দুৰ্গতিৰ সন্মুখীন হয়। ড'পিং টেষ্টত অনুত্তীৰ্ণ হোৱাসকলৰ পৰা এনে এটা অভিযোগ উত্থাপিত হোৱা দেখা যায় যে কোনো সতীৰ্থই খাদ্যবস্তুৰ সৈতে নিচাযুক্ত দ্ৰব্য মিহলি কৰি তেওঁৰ অজ্ঞাতে সেৱন কৰাইছে। তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু আগ্ৰাসী মনোভাবে গা কৰি উঠা আজিৰ ক্ৰীড়া জগতত তেনে এক সম্ভাৱনা নুই কৰিব নোৱাৰি। কাৰণ যিয়েই নহওক, যিগৰাকী ক্ৰীড়াবিদৰ ওপৰতে ড'পিঙৰ অভিযোগ সত্য বুলি প্ৰমাণিত হৈছে, সিয়েই সেই গৰাকী ক্ৰীড়াবিদৰ ক্ৰীড়া জীৱনৰ ওপৰত দিয়া মৃত্যুদণ্ডৰ আদেশৰ সমান বুলি পৰিগণিত হৈছে।

❒ জিতুমণি পাঠক